**2024**

# ASSAMESE

Paper : ASM-4016

*( পাঠ সমীক্ষা আৰু লিপি অধ্যয়ন )*

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) পাঠ (Text) ৰ স্বৰূপ বিচাৰ কৰি ইয়াৰ প্ৰকাৰভেদ সম্বন্ধে এটি আলোচনা যুগুত কৰা। ১২

*অথৱা*

(খ) পাঠৰ লিখন সামগ্ৰী বুলিলে কি বুজা? হাতে লিখা পুথিৰ বাবে ব্যৱহৃত লিখন সামগ্ৰীসমূহৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

২। (ক) পাঠ সমীক্ষা (Textual Criticism) মানে কি? ইয়াৰ লগত জড়িত সমীক্ষা সামগ্ৰীসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১২

*অথৱা*

(খ) পাঠ সমীক্ষাৰ আৰম্ভণিৰ স্তৰ দুটা উল্লেখ কৰি পৰবৰ্তী কালত কি কি *চাৰিটা* স্তৰত সমীক্ষা কাৰ্য্য সম্পন্ন কৰা হৈছিল আলোচনা কৰা।

৩। (ক) পাঠ প্ৰমাদ বুলিলে কি বুজা? সম্প্ৰেৰিত পাঠত পৰিলক্ষিত হোৱা এই পাঠ প্ৰমাদৰ কাৰণসমূহ বহলাই আলোচনা কৰা। ১২

*অথৱা*

(খ) পাঠ সংশোধনৰ বাবে গ্ৰহণ কৰা অন্তৰঙ্গ, বহিৰঙ্গ আৰু উপসাক্ষ্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

৪। (ক) পাঠ সমীক্ষাৰ উদ্ভৱ আৰু ইউৰোপত ইয়াৰ প্ৰয়োগ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১২

*অথৱা*

(খ) অসমত পাঠ সমীক্ষা *বা* সমীক্ষামূলক পাঠ অধ্যয়নৰ প্ৰচলন সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

৫। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) লিপিকাৰ আৰু শাসনিক

(খ) লতাকটা আৰু সচিত্ৰ পুথি

(গ) অটোগ্ৰাফ আৰু সম্প্ৰেৰিত পাঠ

(ঘ) মহাভাৰতৰ পাঠ সমীক্ষা

(ঙ) পাঠৰ বংশলতা নিৰ্ণয়

(চ) পাঠৰ অধিসমীক্ষা

(ছ) মধ্যযুগীয় অসমীয়া লিপি

৬। তলত দিয়া হাতে লিখা পুথিৰ পাঠ্যাংশ আধুনিক অসমীয়া লিপিত লিখা। ১২

